আন্তঃৰাষ্ট্ৰীয়

নৰৱেত প্ৰধানমন্ত্ৰী মোদীক প্ৰশ্ন কৰি অস্বস্তিত পেলোৱা হেলে ল্যঙক ভাৰত ভ্ৰমণত বাধা!

হায়দৰাবাদৰ ‘ভাৰত ছামিট’ত অংশগ্ৰহণৰ পূৰ্বে নিজৰ ভিছা বাতিল কৰা হৈছে বুলি নৰৱেৰ সাংবাদিক হেলে ল্যঙে দাবী কৰিছে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৩



Norwegian journalist Helle Lyng (NewzNow)

নতুন দিল্লী, ১২ নৱেম্বৰ: নৰৱেত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰ নিদিয়াক লৈ প্ৰশ্ন কৰি চৰ্চালৈ অহা সাংবাদিক হেলে ল্যঙক ভাৰত ভ্ৰমণত বাধা দিয়াৰ অভিযোগ উত্থাপন হৈছে। হায়দৰাবাদত অনুষ্ঠিত হ’বলগীয়া ‘ভাৰত ছামিট’ত অংশগ্ৰহণ কৰিবলৈ অহাৰ পূৰ্বে ভাৰতীয় ভিছা বাতিল কৰা বুলি অভিযোগ কৰিছে নৰৱেৰ সাংবাদিকগৰাকীয়ে।

অ’ছলোস্থিত সংবাদপত্ৰ ‘ডাগছাভিছেন’ৰ সাংবাদিক হেলে ল্যঙে সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা ভিডিঅ’ত দাবী কৰিছে যে ভাৰতলৈ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ পিছত বিমানবন্দৰলৈ যোৱাৰ প্ৰায় ১০ মিনিট পূৰ্বে নৰৱেত থকা ভাৰতীয় দূতাবাসৰ পৰা তেওঁলৈ ফোন আহে। ফোনযোগে তেওঁক ভাৰতলৈ যাত্ৰা নকৰিবলৈ কোৱা হয়। তেওঁৰ দাবী অনুসৰি, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশত তেওঁৰ ভিছা বাতিল কৰা হৈছে।

উল্লেখ্য যে ১৩ আৰু ১৪ নৱেম্বৰত হায়দৰাবাদত অনুষ্ঠিত হ’বলগীয়া ‘ভাৰত ছামিট’ত অংশগ্ৰহণৰ বাবে হেলে

ল্যঙক আমন্ত্রণ জনোৱা হৈছিল। সম্মিলনৰ ‘The Future of Media’ শীৰ্ষক আলোচনাচক্ৰত বক্তা হিচাপে অংশগ্ৰহণ কৰাৰ কথা আছিল তেওঁৰ। সাংবাদিকগৰাকীৰ দাবী অনুসৰি, তেওঁৰ হাতত বৈধ ভিছাৰ লগতে সম্মিলনত অংশগ্ৰহণৰ বাবে প্ৰয়োজনীয় ৰাজনৈতিক অনুমোদনো আছিল।

ইয়াৰ পূৰ্বে ২০২৬ চনৰ মে’ মাহত নৱৰেৰ ৰাজধানী অ’ছলোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নৱৰেৰ প্ৰধানমন্ত্ৰী জ’নাছ্ গাৰ ষ্ট’ৰেৰ যুটীয়া সংবাদমেলত প্ৰশ্ন উত্থাপন কৰি চৰ্চালৈ আহিছিল হেলে ল্যং। সংবাদমেলত তেওঁ মোদীক প্ৰশ্ন কৰিছিল—বিশ্বৰ অন্যতম মুক্ত সংবাদ মাধ্যম থকা দেশৰ সাংবাদিকসকলৰ প্ৰশ্নৰ উত্তৰ দিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কিয় আগ্ৰহ প্ৰকাশ নকৰে?

এই ঘটনাৰ পিছৰে পৰা ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি, সংবাদ মাধ্যমৰ স্বাধীনতা আৰু মানৱ অধিকাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদী তথা কেন্দ্ৰীয় চৰকাৰৰ সমালোচনা কৰি আহিছে সাংবাদিকগৰাকীয়ে।

ভাৰত ভ্ৰমণত বাধা পোৱাৰ ঘটনাক লৈ হেলে ল্যঙে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক পোনপটীয়াকৈ প্ৰশ্ন কৰিছে। তেওঁৰ মতে, প্ৰধানমন্ত্ৰী মোদীক কৰা পূৰ্বৰ প্ৰশ্ন আৰু ভাৰত চৰকাৰৰ সমালোচনাৰ বাবেই তেওঁক ভাৰতলৈ আহিবলৈ দিয়া হোৱা নাই নেকি, সেই সন্দেহৰ সৃষ্টি হৈছে। অৱশ্যে এই সন্দেহৰ সমৰ্থনত তেওঁ কোনো আনুষ্ঠানিক প্ৰমাণ দাঙি ধৰা নাই।

সাংবাদিকগৰাকীয়ে লগতে মুকেশ আম্বানী আৰু গৌতম আদানীৰ দৰে উদ্যোগপতিৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ সম্পৰ্কক লৈ কৰা সমালোচনা আৰু ভাৰতৰ সংবাদ মাধ্যমৰ স্বাধীনতা সন্দৰ্ভত প্ৰকাশ কৰা মতামতসমূহৰ কথাও উল্লেখ কৰিছে। এই বিষয়সমূহৰ বাবেও তেওঁৰ ভিছা বাতিল কৰা হ’ব পাৰে বুলি তেওঁ আশংকা প্ৰকাশ কৰে।

হেলে ল্যঙে জনোৱা মতে, ভাৰতীয় দূতাবাসৰ বিষয়াসকলে তেওঁক ভিছা বাতিলৰ প্ৰক্ৰিয়াৰ বাবে দূতাবাসলৈ আহিবলৈ কৈছিল। কিন্তু তেওঁ এই সন্দৰ্ভত লিখিত ব্যাখ্যা বিচাৰিছিল। তেওঁৰ দাবী অনুসৰি, এতিয়ালৈকে কোনো লিখিত কাৰণ তেওঁক জনোৱা হোৱা নাই।

ইফালে, সম্মিলনৰ আয়োজক পক্ষৰ সৈতে জড়িত সূত্ৰৰ উদ্ধৃতিৰে প্ৰকাশিত তথ্য অনুসৰি, প্ৰায় ১২০গৰাকী বিদেশী প্ৰতিনিধিয়ে ভিছা পলম হোৱা অথবা প্ৰত্যাখ্যানৰ বাবে সম্মিলনত অংশগ্ৰহণ কৰিব পৰা নাই। অৱশ্যে এই তথ্যৰ কোনো চৰকাৰী নিশ্চিতকৰণ প্ৰকাশ পোৱা নাই।

এই ঘটনাক লৈ ভাৰতৰ গৃহ মন্ত্ৰালয় আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। আনহাতে, হেলে ল্যঙে ভাৰত ভ্ৰমণৰ অনুমতি পুনৰ প্ৰদান কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ হস্তক্ষেপ বিচাৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2390/hele-lzng-vateez-vicha-batil